(৩)

ইউৰুপীয়ান্ সবে এৰিব যিদিন,
ৰান্ধি ভৰাই দিয়া মাছ্-মঙহৰ টিন
এৰিব গেন্ধেলা 'চিজ' আৰু 'অইষ্টৰ'
পানীত গোবৰ দি মচি নিব ঘৰ,
কঠালৰ নামত যেবে নোকোচাব নাক,
প্ৰলয়ৰ পূৰ্ব্বাভাষ বুজি লাব তাক।

ঘোষা। মহাপ্ৰলয় কাষ চাপিল ঢাৰিপাটী বান্ধা।
ভীমকলৰ ভূৰ সাজি ভাত-পানী ৰান্ধা ॥

—

**কৃপাবৰ বৰুৱাৰ উইল**

এইখনেই মোৰ শেষ উইল ( **will** ) আৰু ইচ্ছাপত্ৰ ( টেষ্টামেণ্ট্ ) ।

ইয়াৰ দ্বাৰাই মই আগেয়ে কৰা এটাইবোৰ উইল ৰদ কৰিলোঁ।

মই মোৰ বৰঘৈণী শ্ৰীমতী স্কৃতি দেৱীক আৰু সৰুঘৈণী শ্ৰীমতী দুষ্কৃতি দেৱীক মোৰ এক্‌জিকিউটিক্স অৰ্থাৎ ইচ্ছাপত্ৰানুযায়ী কাৰ্য্য নিৰ্ব্বাহিকা পাতিলোঁ। আৰু দুই সতিনীয়েকক এই আদেশ দি যাওঁ যে মই মৰি যোৱাৰ পিছত মোৰ যি যথাৰ্থ ধাৰ-ঋণ থাকিব সেইবোৰ দুইজনীয়ে মিলিজুলি যিমান সোনকালে পাৰে মাৰিব। তাৰ নিমিত্তে তেওঁলোকৰ হাতত ধন-বিত নাথাকিলে, পতিব্ৰতা তেওঁলোকে লাগে যদি লোকৰ ঘৰত গোলামি কৰিও ধন ঘটি সেই কাৰ্য্য সম্পাদন কৰিব।

এই উইলৰ দ্বাৰাই মই তলত লেখা মোৰ স্থাবৰ, অস্থাবৰ সম্পত্তি কেইপদ মোৰ দেশী ভাই অসমীয়া মানুহক **give devise and bequeath** কৰিলোঁ, অৰ্থাৎ দান কৰিলোঁ।

(১) পৰশুৰাম কুণ্ডৰ পৰা ধুবুৰীলৈকে মাছ, মগৰ পহু, চৰাই, বালি, চাপৰি, কঁহুৱা খাগৰিৰে আৰু পানীৰ জুৰঁলীত থকা নানা গঢ়ীয়া, নানা বৰণীয়া শিলগুটিবোৰেৰে সৈতে ব্ৰহ্মপুত্ৰ নৈখন।

(২) ভুৱনেশ্বৰী মন্দিৰেৰে সৈতে কামাখ্যা-পৰ্ব্বতটো। উমানন্দ, হাজো আৰু অশ্বক্লান্তৰ পৰ্ব্বত কেইটা। গুৱালপাৰাৰ পৰ্ব্বতৰে পৰা আৰম্ভ কৰি গুল্ম, লতা, ফল, ফুল গছেৰে সৈতে শিঙৰি-পৰ্ব্বত, শিলঘাটৰ বিশ্বনাথৰ আৰু তেজপুৰৰ পৰ্ব্বত-বিলাক।

(৩) গোটেই অসম-উপত্যকাৰ বগা, ক'লা, হালধীয়া, বঙা, সেউজীয়া, মুগা আৰু পখৰাচিতৰা চৰাইবিলাক, যি গান গাব পাৰে, কল্‌কলাব পাৰে, চেচেঁয়াব পাৰে আৰু নোৱাৰে।

(৪) অসমৰ পথাৰত উৰি ফুৰা নানা বৰণীয়া পখিলাবিলাক, হাবিৰ নানা ঠগীয়া ফলবিলাক, বতাহত বিৰ্ বিৰ্ কৈ লৰা জবি আৰু আহঁত গছৰ কুঁহিপাত-বিলাক।

(৫) পথাৰত ঠোক মেলা, মেলিব খোজা, মেলি পৈণত হোৱা, পকা ঠোকেৰে থিয় হৈ থকা আৰু বতাহত ঢৌ খেলোৱা ধানবোৰ। সৰিয়হৰ ফুলবোৰ আৰু চিৰাচিৰে গুটি লগা মাহ-গছবোৰ। লাই, লফা, ঢেকুৱা, বাবৰি পালেঙৰে শাকবোৰ। আম, কঠাল, জামু, নেমু, স্থমথিৰা, বেৰাব আৰু তামোল-পাণেৰে গৃহস্থৰ বাৰীবোৰ।

(৬) সোৱনশিৰী, দিখৌ, দিহিং দিমৌ আদি নৈবোৰ। সৰু সৰু জানবোৰ, ঝৰণাবোৰ আৰু পানীৰ সোঁত লাগি থক্‌বক্‌কৈ কঁপা নল খাগৰিবোৰ।

(৭) শিলৰ ওপৰেদি বৈ হুৰ্ হুৰ্ কৰে পৰা সন্ধ্যা ললিতা কান্তা নামে পানী তিনধাৰাৰে আৰু জিলীৰ মাতেৰে হিয়া বাজি উঠা প্ৰকাণ্ড গছ আৰু ডাঙৰ ডাঙৰ শিলেৰে সৈতে বশিষ্ঠাশ্ৰমখন।

(৮) বগী খাছিয়ানীবিলাকেৰে জক্‌মক্ কৰে ফুলি থকা ছিলং পৰ্ব্বতটো।

(৯) শিৱসাগৰত সোণৰ কলচীৰে শিৱদৌলটো, ত্ৰিশূলেৰে বিষ্ণু দৌলটো আৰু দেৱীদৌলটো, নিৰ্ম্মল চপ্‌চপীয়া পানীৰ ওপৰত বনৰীয়া ৰাজহাঁহ চৰি ফুৰা বৰপুখুৰীটো।

(১০) তাঁতৰ পৰা ওলোৱা ন খনীয়া-কাপোৰ, চেলেং-কাপোৰ আৰু গামোচাৰে সৈতে, হেচাপিঠা, সুতুলিপিঠা, ঘিলাপিঠা, লাওপিঠা, ফেনিপিঠা, তিলৰ লাৰু, দৈগাখীৰ, গুৰ, সান্দহ আৰু চিৰাৰে সৈতে আৰু 'দেউতাৰ পদুলিত গোন্ধাইছে মধুৰী, কেতেকী মলেমলায়' এই নামেৰে শেহ নিশা গোৱা হুচৰিৰে সৈতে বঙালী চতৰবিহুটো। চুঙাদিয়া-পিঠা সিজোৱা মোৱাআলু, চিনাআলু আৰু কাঠ-আলু আৰু মেজিৰে সৈতে ম'হ-যুঁজ হাঁহকণী-যুঁজ আৰু পঁচিৰে সৈতে ভোগালি মাঘবিহুটো। আকাশ-বাঁতিৰে সৈতে কঙালী কাতিবিহুটো।

(১১) পাভ মাছত টেঙা দিয়া লফা-শাকৰ আঞ্জা কাৰৈমাছ দি ৰন্ধা বাবৰি শাকৰ আঞ্জা। জালুকী-য়াকৈ আৰু ঔটেঙা দি থপ্‌থপীয়াকৈ ৰন্ধা কচুথোৰৰ আঞ্জা, চোকোৰা গুচুৱা কেঁচা মগুমাহত ঔটেঙা

দি ৰন্ধা আঞ্জা, খাৰণি আৰু চেকুৰা পচলা দি ৰন্ধা মাটিমাহৰ আঞ্জা, নেমুটেঙা দি ঢেকিয়াশাক ভজা আৰু মাগুৰমাছ ভজা, চিতল মাছৰ কলঠী ; বৌমাছৰ মূৰ আৰু পেটী ; পকা খৰিচা, শুকান খৰিচা ; বগবিৰ গুৰি ; আমৰ গুৰি ; খাৰলি কাহুদি, পাতত দিয়া পোনা মাছ আৰু খৰিকাত দিয়া পুঠিমাছ।

(১২) নৈৰ পাৰৰ হাবিত ম'হৰ পিঠিত উঠি বিঙিয়াই গোৱা ম'হগুৱালৰ গীতবোৰ আৰু সিপাৰৰ-পৰা সেইদৰে আন এটা মহগুৱালে দিয়া ৰিণি ৰিণি কাণত পৰা তাৰ উত্তৰবোৰ। তিৰুতা-মানুহে জাউৰিয়ে জাউৰিয়ে গোৱা বিয়াৰ নাম। বিয়াহ গোৱা, ওজাগোৱা ।

(১৩) ভাৱনাৰ ছালি নাচ, জুমুৰ নাচ, বৰ-ধেমালি, সৰুধেমালি ।

(১৪) বজাৰৰ মাছ মাৰোঁতা আৰু বেচোঁতাবিলাকৰ ঘৈণীয়েকহঁতৰ দন্দবোৰ ।

(১৫) গোটেই অসমত প্ৰচলিত ইটোৰ সিটোৰ ভিতৰত দন্দ-খৰিয়ালবোৰ আৰু ঘাইকৈ চকু পোৰা স্বভাৱটো ।

(১৬) চিলিমত খোৱা আৰু ঘুটি খোৱা ভাং। মলি আৰু দুটিকিৰাকৈ খোৱা কানি। গিলাছ আৰু বাটিত ঢালি খোৱা লাওপানী আৰু ফটিকা।

ওপৰত লিখা কথাবোৰৰ সাব্যস্ত প্ৰমাণ স্বৰূপে মই শ্ৰীকৃপাবৰ বৰবৰুৱাই মোৰ এই শেহ উইল আৰু ইচ্ছাপত্ৰ আজি ১৮৩১ শকৰ ৩০ চ'তত এই মোৰ চহী কৰিলোঁ। ।

সাক্ষী :— শ্ৰীকৃপাবৰ বৰুৱা

শ্ৰীতিনকড়ি গুহ
শ্ৰীহৰিদাস পাকড়াশি।

---

**টোকা** :— মূল পুথিত থকা আৰু ইয়াৰ আগৰ 'কদমকলি'ত অন্তৰ্ভুক্ত কৰা কবিতা কেইটা বাদ দিয়া হৈছে——সম্পাদক

**সমাপ্ত**